সম্প্ৰসাৰণ বুলেটিন/২০০৩

# পাচাউলিৰ খেতি

**শ্ৰীৰক্তিম ৰঞ্জন ভাগৱতী**
*প্ৰশিক্ষণ সহায়ক*
**ড° মনোৰঞ্জন নেওগ**
*প্ৰশিক্ষণ সংগঠক*
**ড° অভিজিত শৰ্মা**
*প্ৰশিক্ষণ সহযোগী*
**শ্ৰীৰূপজ্যোতি বড়া**
*প্ৰশিক্ষণ সহায়ক*

**কৃষি বিজ্ঞান কেন্দ্ৰ**
**খুমটাই, গোলাঘাট**

পাচাউলি তুলসী পৰিয়ালৰ সুগন্ধি তেল উৎপাদনকাৰী এবিধ সৰু জোপোহা গছ্। এইবিধ গছ্‌ৰ পাতৰ পৰা এবিধ সুগন্ধি তেল নিষ্কাষণ কৰিব পৰা যায়; যিবোৰৰ চাহিদা বৰ্তমান দেশৰ তথা বিদেশৰ বজাৰত যথেষ্ট বেছি। এইবিধ গছ্‌ৰ খেতি অতি সহজে পানী জমা নোহোৱা ওখ মাটিত কৰি ঘৰতে ক্ষুদ্ৰ উদ্যোগ ভিত্তিত তেল নিষ্কাষণ কৰিব পাৰি। পাচাউলি গছ্‌ৰ পাতবোৰ সুগন্ধযুক্ত বাবে গৰু-ছাগলি, বান্দৰ আদিয়ে আক্ৰমণ নকৰে। তদুপৰি তুলনামূলকভাবে এইবিধ খেতিৰ বেমাৰ-আজাৰ তথা অনিষ্টকাৰী পোক-পৰুৱা যথেষ্ট কম।

পাচাউলিৰ পৰা নিষ্কাষণ কৰা সুগন্ধি তেল সুগন্ধিকাৰক হিচাবে চাবোন, তেল, বিভিন্ন খাদ্য দ্ৰব্য, পানীয় ইত্যাদিত ব্যৱহাৰ কৰা হয়। বৰ্তমান সমগ্ৰ বিশ্বত পাচাউলি তেলৰ বছৰি চাহিদা হ'ল ২০০০ টন আৰু ভাৰতত ইয়াৰ চাহিদা বছৰি প্ৰায় ৩০০ টন। ক্ৰম বৰ্দ্ধমান চাহিদা তথা তুলনামূলক সহজ কৃষি পদ্ধতিৰ বাবে পাচাউলি খেতি অসমত জনপ্ৰিয় হবলৈ ধৰিছে। পাচাউলি খেতি কৰি কেনেদৰে কৃষক ৰাইজ লাভান্বিত হ'ব পাৰে তাৰেই এটি বিৱৰণ এই পুস্তিকাত দিবলৈ প্ৰয়াস কৰা হৈছে।

## পাচাউলি কৃষি পদ্ধতি ঃ

**ক) মাটি ঃ** পাচাউলি খেতি ওখ পানী জমা নোহোৱা আৰু কম বালিচঁহীয়া মাটিত কৰিব পাৰি। পাচাউলি গছ্‌ৰ গুৰিত পানী জমা হ'লে গছবোৰ ৰঙা পৰি মৰি যায়। সেইবাবে মাটিৰ নিৰ্বাচনত এই দিশটো ভালদৰে বিবেচনা কৰাৰ প্ৰয়োজন। পাচাউলি গছ্‌ৰ শিপাবোৰ মাটিৰ প্ৰায় ওপৰভাগতে থাকে বাবে মাটিৰ এই ভাগটোত যথেষ্ট পানী আৰু হিউমাচ তথা সাৰ থকাটো বাঞ্ছনীয়।

**খ) সাৰ প্ৰয়োগ ঃ** মাটি নিৰ্বাচনৰ পাচত মাটিডৰা দুবাৰ বা তিনিবাৰ ভালদৰে হাল বাই মৈ দি সমান তথা মিহি কৰি ল'ব লাগে। শেষৰ বাৰ হাল বাওঁতে বিঘাই প্ৰতি ১০ কিঃ গ্ৰাঃ ইউৰিয়া, ৪০ কিঃ গ্ৰাঃ একক চুপাৰ ফচ্‌ফেট আৰু ১০ কিঃ গ্ৰাঃ মিউৰেট অব পটাচ সাৰ প্ৰয়োগ কৰিব লাগে। এইখিনিৰ উপৰিও মাটিত যথেষ্ট পৰিমাণে পচন সাৰ বা গোবৰ সাৰ প্ৰয়োগ কৰিলে অধিক উৎপাদন পাব পাৰি। প্ৰতিবাৰ খেতি চপোৱাৰ পাচত প্ৰতি বিঘাত ৭ কিঃ গ্ৰাঃকৈ ইউৰিয়া সাৰ প্ৰয়োগ কৰিব লাগে।

**গ) পুলি ৰোপণ পদ্ধতি ঃ** পুলিবোৰ শাৰী শাৰীকৈ ২ ফুট × ২ফুট ব্যৱধানত ৰুব লাগে। আংশিক ছাঁত পাচাউলি খেতিৰ উৎপাদন বাঢ়ে বাবে ১০ ফুট × ১০ ফুট ব্যৱধানত ৰহৰ মাহ বা মেডেলুৱা গছ লগাব লাগে। ৰোৱাৰ পাচতে পাতলীয়া ধৰণৰ জলসিঞ্চন দিব পাৰিলে, পুলিবোৰ অতি সোনকালে ঠন ধৰি উঠে। এনেদৰে ২ ফুট × ২ ফুট দূৰত্বত পুলি ৰোপণ কৰিবলৈ বিঘাই প্ৰতি প্ৰায় ৪০০০পাচাউলি পুলিৰ প্ৰয়োজন হয়।

**ঘ) প্ৰতিপালন ঃ** পুলি ৰোৱাৰ প্ৰায় চাৰি মাহ মানলৈ প্ৰয়োজন অনুসৰি বন-বাত নিৰাই দিব লাগে। এইখিনি সময়ৰ ভিতৰত পাচাউলি গছবোৰ লহপহকৈ বাঢ়ি মাটিডৰা সম্পূৰ্ণকৈ ঢাকি ধৰে বাবে চাৰি মাহ মানৰ পাচত বন-বাত নিৰণিৰ কাম প্ৰায় নাথাকেই। অসমত পাচাউলি খেতিৰ বেমাৰ-আজাৰ তথা অনিষ্টকাৰী কীট নাই যদিও কাচিৎ দেখা পোৱা কেতবোৰ উপসৰ্গৰ নিয়ন্ত্ৰণ তলত দিয়া ধৰণে কৰিব পাৰি ঃ-

১। মুজুৰা পৰা বেমাৰ ঃ এইবিধ বেমাৰ মাটিত থকা এবিধ ভেঁকুৰৰ দ্বাৰা হয়। মুজুৰা পৰা গছবোৰ তৎক্ষণাত উভালি দি মাটিত বেভিষ্টিন (এক গ্ৰাম প্ৰতি লিটাৰ) নামৰ দৰৱ প্ৰয়োগ কৰিব লাগে।

২। পাতৰ ব্লাইট ঃ এইবিধ বেমাৰো ভেঁকুৰৰ দ্বাৰা হয় আৰু আক্ৰান্ত গছৰ পাতবোৰত মুগা বৰণৰ দাগ পৰি পাতবোৰ শুকাই যায়। ইন্দ'ফিল এম্ ৪৫ নামৰ দৰৱ প্ৰতি লিটাৰ পানীত ২.৫ গ্ৰাম মিহলাই স্প্ৰে কৰিলে সুফল পাব পাৰি।

৩। মাইট পোক ঃ এইবিধ পোকে পাচাউলি গছৰ পাতবোৰ খহটা আৰু মুজুৰা কৰি পেলায়। এইক্ষেত্ৰত ইথিয়ন নামৰ দৰৱ স্প্ৰে কৰিলে সুফল পাব পাৰি।

৪। শস্য কৃমি ঃ শস্য কৃমিৰ দ্বাৰা আক্ৰান্ত গছৰ পাতবোৰ হালধীয়া হয় আৰু শিপাবোৰত টেমুনা ধৰে। যি মাটিত শস্য কৃমিৰ সঘন আক্ৰমণ হয় তেনে মাটিত পুলি ৰোৱাৰ সময়ত প্ৰতিটো পুলিৰ গাঁতত ফুৰাডন নামৰ ঔষধ ১০ গ্ৰামকৈ প্ৰয়োগ কৰিব লাগে।

**ঙ) কলম কাৰ্য ঃ** পুলিবোৰ যেতিয়া এফুট ওখ হয়, অৰ্থাৎ পুলি ৰোৱাৰ ডেৰমাহ মানৰ পাছত গছজোপাৰ আগটো চিঙি দিলে শাখা-প্ৰশাখা ওলাই গছজোপা জোপোহা হৈ পৰিব। প্ৰথম কলম দিয়াৰ ডেৰমাহ মানৰ পাচত আকৌ এটা কলম দিব পাৰিলে গছজোপা অধিক জোপোহা হৈ পৰিব।

**চ) শস্য চপোৱা কাৰ্য ঃ** পাত সংগ্ৰহৰ বাবে পাচাউলি খেতি কৰা হয়। পুলি ৰোৱাৰ ৫ মাহ পাছৰে পৰা আগবোৰ কাটি চপাব পাৰি। প্ৰথম বছৰ তিনিবাৰ, দ্বিতীয় বছৰ পাঁচ বাৰ আৰু তৃতীয় বছৰ পাঁচবাৰ - সৰ্বমুঠ তেৰ বাৰ শস্য চপাব পাৰি। এনেদৰে তিনিবছৰৰ অন্তত খেতি ডৰা উঠাই পুনৰ মাটি চহ কৰি নতুন পুলি লগাব লাগে। সাধাৰণতে গছৰ আগবোৰ ৫-৬ ইঞ্চি দীঘলকৈ ধান কটা কাঁচিৰে কাটিব পাৰি। প্ৰতিবাৰ আগ সংগ্ৰহৰ পাচত গছৰ পৰা সৰি যোৱা বুঢ়া পাতবোৰো সংগ্ৰহ কৰিব পাৰি।

**ছ) পাত শুকুৱা কাৰ্য ঃ** এইদৰে সংগ্ৰহ কৰা আগবোৰ ঘৰৰ মজিয়াত পাতলকৈ মেলি দি শুকুৱাব পৰা যায়। কিন্তু পাতৰ পৰিমাণ বেছি হ'লে এটি মুকলি খেৰৰ বেৰ নোহোৱা ঘৰ সাজি তাত তিনি খলপীয়া চাং দি পাতবোৰ শুকুৱাব পাৰি। এনেদৰে পাঁচ/ছয় দিন পাতবোৰ লৰাই শুকুৱাৰ পাচত সেইবোৰ বস্তাত ভৰাই জমা কৰি ৰখা হয়। তেলৰ সঠিক গুণগত মান পাবৰ বাবে তিনি মাহ পুৰণি জমা পাতহে তেল নিষ্কাষণ

কাৰ্যৰ বাবে ব্যৱহাৰ কৰা হয়। এনেধৰণৰ শুকান পাতৰ বৰ্তমান বজাৰ মূল্য হৈছে প্ৰতি কুইণ্টলত ২২০০.০০ টকা।

**জ) তেল নিষ্কাষণ কাৰ্য ঃ** শুকান পাচাউলিৰ পাতৰ পৰা তেল নিষ্কাষণ কৰিবৰ বাবে বিশেষ ধৰণৰ পাতন যন্ত্ৰৰ দৰকাৰ। এনেধৰণৰ পাতন যন্ত্ৰত প্ৰায় ১৮ ঘণ্টাৰ পাতন ক্ৰিয়াৰ পাছত পাচাউলি পাতৰ পৰা সম্পূৰ্ণভাৱে তেল নিষ্কাষিত হয় আৰু এই তেল এলুমিনিয়ামৰ বিশেষ পাত্ৰত সংগ্ৰহ কৰি জমা কৰি ৰাখিব পৰা যায়।

এক কুইণ্টল শুকান পাতৰ পৰা গড়ে চাৰি কিলোগ্ৰাম তেল নিষ্কাষণ কৰিব পাৰি। এই তেলৰ বৰ্তমান বজাৰ মূল্য হৈছে প্ৰতি কিলোগ্ৰামত ৮০০.০০ টকা। অন্যহাতে প্ৰতি কুইণ্টল পাতৰ পৰা তেল নিষ্কাষণ কৰোঁতে খৰছ হয় ৪০০.০ টকা। যিহেতু পাচাউলিৰ তেলৰ চাহিদা বৰ্তমান আন্তৰ্জাতিক বজাৰত উৰ্দ্ধমুখী গতিকে অদূৰ ভৱিষ্যতে এই তেলৰ মূল্য বৃদ্ধিৰ আশা অমূলক নহয়।

**ঝ) পাচাউলি পুলিৰ উৎপাদন ঃ** এবাৰ পাচাউলি খেতি কৰাৰ পাচত বছৰবোৰত প্ৰয়োজনীয় পুলিসমূহ অতি সহজে ঘৰতে উৎপাদন কৰাৰ লগতে ব্যৱসায়িক ভিত্তিত পুলি উৎপাদন কৰি কৃষক ৰাইজ লাভান্বিত হ'ব পাৰে। পুলি উৎপাদনৰ বাবে প্ৰথমে ৩ ইঞ্চি ×৪ ইঞ্চি জোখৰ পলিথিনৰ মোনাত মাটি ভৰাই লোৱাৰ পাচত পাচাউলি গছৰ আগবিলাক ৩-৪ টা গাঁঠি সহ কাটি এক ইঞ্চিমানলৈকে পুতি দিব লাগে। এনেদৰে তৈয়াৰ কৰা মোনাসমূহ ছাঁত ৰাখিব লাগে আৰু বাৰিষা কালত ৩০ দিন মানৰ ভিতৰতে সেইবোৰ মূল পথাৰত ৰুব পৰা হয়। পুলি প্ৰস্তুতিৰ বাবে উত্তম সময় হ'ল মাৰ্চৰ পৰা অক্টোবৰলৈ। বেছি বৰষুণ হোৱা বতৰত জমা কৰি ৰখা পুলিবোৰত ডায়থেন এম-৪৫ নামৰ দৰব (২.৫ গ্ৰাম প্ৰতি লিটাৰ পানীত) সপ্তাহত এবাৰকৈ স্প্ৰে কৰিলে গুৰি পঁচা বেমাৰ সহজেই নিয়ন্ত্ৰণ কৰিব পাৰি। বৰ্তমান সময়ত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে পাচাউলি পাতৰ তথা তেলৰ বজাৰ আৰু মূল্য ইত্যাদিৰ ক্ষেত্ৰত আগভাগ লোৱা চৰকাৰী প্ৰতিস্থান হৈছে North Eastern Development Finance Corporation বা চমুকৈ NEDFi । এই খেতিৰ বাবে NEDFi য়ে প্ৰয়োজনীয় ঋণ অথবা কাৰিকৰী জ্ঞান কৃষকলৈ আগবঢ়াই আহিছে। আগ্ৰহী কৃষকে পাচাউলি খেতিৰ বাবে ঋণ আৰু বজাৰ সুবিধাৰ বাবে তলৰ ঠিকনাত যোগাযোগ কৰিব পাৰে ঃ- North Eastern Development Finance Corporation

জনতা ভৱনৰ ওচৰত (চাহ নিলাম কেন্দ্ৰৰ সমুখত), দিছপুৰ, গুৱাহাটী, অসম।

উদ্যোগী কৃষক ৰাইজে এই খেতি কৰিবলৈ প্ৰয়োজনীয় পুলিৰ বাবে কৃষি বিজ্ঞান কেন্দ্ৰ, খুমটাই, গোলাঘাট - ৭৮৫৬১৯ ৰ লগত যোগাযোগ কৰিব পাৰে।●

---

কৃষি বিজ্ঞান কেন্দ্ৰ, খুমটাই, গোলাঘাট-৭৮৫৬১৯ ৰ দ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত।